# ভূগোল অধ্যয়ন

**প্ৰশ্ন ১। চমু উত্তৰ দিয়া –**

**( ক ) ভূচিত্ৰাৱলীত কি থাকে ?**

**উত্তৰঃ** ভূচিত্ৰাৱলীত সমগ্ৰ পৃথিৱীৰ মানচিত্ৰ থাকে।

**( খ ) মানচিত্ৰ বুলিলে কি বুজা ?**

**উত্তৰঃ** মান বা জোখ – মাপ কৰি অঁকা চিত্ৰক মানচিত্ৰ বাােলা হয় ।

**( গ ) প্ৰাকৃতিক ভূগাােল আৰু মানৱ ভূগাােল কাক বাােলে ?**

**উত্তৰঃ** যি ভূগাােলত বায়ুমণ্ডল , আকাশ , দিশ , স্থান , সময় , পৰ্বত – পাহাৰ , সাগৰ মহাসাগৰ , নদ – নদী আদিৰ দৰে প্ৰকৃতিৰ বিভিন্ন কথা আলাােচনা কৰা হয় তাক প্ৰাকৃতিক ভূগাােল ( Physical Geography) বাােলে । আনহাতে , যি ভূগাােলত মানুহৰ বাসস্থান আৰু মানুহ বসবাস কৰাৰ ফলত দেখা দিয়া পৰিৱৰ্তনবাােৰৰ কথা , লগতে মানৱ সমাজৰ পৰিৱৰ্তন কেনেদৰে হয় আদি কথা আলাােচনা কৰা হয় , তাকে মানৱ ভূগাােল ( Human Geography ) বোলে ।

**( ঘ ) প্ৰাকৃতিক মানচিত্ৰ কি ?**

**উত্তৰঃ** যি মানচিত্ৰত কেৱল নদ – নদী , পৰ্বত – পাহাৰ , হ্ৰদ , মৰুভূমি , সাগৰ – মহাসাগৰ আদি প্ৰকৃতিৰ বস্তু অংকন কৰি দেখুওৱা হয় , তাকে প্ৰাকৃতিক মানচিত্ৰ বাােলে ।

**প্ৰশ্ন ২। ভূগাােলৰ জ্ঞান আয়ত্ত নকৰিলে ভাল নাগৰিক হ’ব নাােৱাৰি বুলি কিয় কোৱা হৈছে ?**

**উত্তৰঃ** ভূগাােল বিষয়টো অধ্যয়নৰ মূল উদ্দেশ্য হ’ল মানুহে বিভিন্ন পৰিৱেশত কিদৰে জীৱন – নিৰ্বাহ কৰিছে আৰু আমাৰ পৃথিৱীখনতনো কি কি আছে , পৃথিৱীত ঘটি থকা প্ৰাকৃতিক ঘটনাবোৰ কি আৰু সেইবাােৰ ঘটাৰ কাৰণ কি , সেইবাােৰৰ বিষয়ে জ্ঞান আহৰণ কৰা । এজন ভাল নাগৰিক হ’বলৈ হ’লে প্ৰাকৃতিক , ঐতিহাসিক , ৰাজনৈতিক , অৰ্থনৈতিক , সাংস্কৃতিক আদি বিভিন্ন দিশৰ জ্ঞানৰ আৱশ্যক । ভূগাােল অধ্যয়ন কৰি

আমি এই বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ কৰিব পাৰে । সেয়েহে , ভূগা◌েলৰ জ্ঞান আয়ত্ত নকৰিলে ভাল নাগৰিক হ’ব না◌েৱাৰি বুলি কোৱা হৈছে ।